জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৪৩৯/২০২০

**বিশিষ্ট চিত্ৰশিল্পী কন্দৰ্প নাথ শৰ্মা আৰু বিশিষ্ট নৃত্যশিল্পী ঝৰ্ণা শইকীয়াক ২০২০ বৰ্ষৰ সন্মানীয় বিষ্ণুৰাভা বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে**

# কলাগুৰু বিষ্ণুৰাভা সমাধিক্ষেত্ৰ সংৰক্ষণৰ লগতে ইয়াত আটকধুনীয়াকৈ নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰেঃ মুখ্যমন্ত্ৰী

# কলাগুৰুৰ আপুৰুগীয়া সম্পদৰাজি সংৰক্ষণৰ বাবে এক সংগ্ৰহালয় নিৰ্মাণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ জুন ঃ** তেজপুৰত থকা কলাগুৰু বিষ্ণুৰাভা সমাধিক্ষেত্ৰ সংৰক্ষণ কৰাৰ লগতে ইয়াক আটকধুনীয়াকৈ নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰে। কলাগুৰুৰ আপুৰুগীয়া সম্পদৰাজি সংৰক্ষণৰ বাবেও এক সংগ্ৰহালয় নিৰ্মাণ কৰা হ'ব। আজি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী আউনিআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘোষণা কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে বিশিষ্ট চিত্ৰশিল্পী কন্দৰ্প নাথ শৰ্মা আৰু নৃত্যশিল্পী ঝৰ্ণা শইকীয়ালৈ ২০২০ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আগবঢ়ায়। উল্লেখ্য যে এই বঁটাত আছে এখন প্ৰশস্তিপত্ৰ, শৰাই, অংগবস্ত্ৰ আৰু ২ লাখ টকাৰ চেক।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সাংস্কৃতিক জীৱনধাৰালৈ অমূল্য বৰঙনি আগবঢ়োৱা এইগৰাকী শিল্পীক আমাৰ নতুন প্ৰজন্মৰ মাজলৈ লৈ গৈ তেওঁৰ জীৱন দৰ্শন আৰু সৃষ্টিৰাজিৰ উপযুক্ত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আমি চেষ্টা কৰিব লাগিব। ৰাজ্যৰ সাংস্কৃতিক জীৱনক সমৃদ্ধ কৰাত বিষ্ণুপ্ৰসাদ ৰাভাই অতুলনীয় বৰঙনি আগবঢ়াই গৈছে। সেয়েহে, ৰাজ্যৰ নতুন প্ৰজন্মই তেওঁৰ এই অৱদানৰ কথা জানিবই লাগিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সাংস্কৃতিক জীৱনৰ এইগৰাকী পুৰোধা ব্যক্তিৰ নামত উদ্‌যাপিত দিৱসটি মাথোঁ ৰাজ্যৰ ভিতৰতে সীমাবদ্ধ ৰখা উচিত নহয়। এই মনীষীগৰাকীৰ জীৱন আৰু কৰ্মৰ মহান আদৰ্শৰ বিষয়ে নৱ প্ৰজন্মক অৱগত কৰোৱাৰ ক্ষেত্ৰত প্ৰস্তাৱিত সংগ্ৰহালয়টোৱে এক মঞ্চৰ ৰূপত কাম কৰিব। তেওঁ কয় যে বিষ্ণু প্ৰসাদ ৰাভাই সদায়েই ঐক্য, সংহতি, বন্ধুত্ব আৰু সমন্বয়ৰ বাৰ্তা জনগণৰ মাজত প্ৰচাৰ কৰিছিল। সেয়েহে, নতুন প্ৰজন্মই তেওঁৰ এই মূল্যবোধৰ ভেটিত এখন সংস্কৃতিৱান সমাজ নিৰ্মাণৰ কামত ব্ৰতী হ'ব লাগিব। বিষ্ণুৰাভা দিৱসৰ দৰে অনুষ্ঠানৰ আয়োজনে এই মহান শিল্পীগৰাকীয়ে দেখুৱাই যোৱা পথ অনুসৰণ কৰি নৱ প্ৰজন্মৰ মাজত এক ইতিবাচক মানসিকতাৰ জন্ম দিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চাওলুং চ্যুকাফা, স্বামী বিবেকানন্দ আদিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মহাপুৰুষসকলৰ আদৰ্শ আৰু শিক্ষাই মানৱ জাতিক এক বিশ্বজনীন শিক্ষা প্ৰদান কৰিছে আৰু মানৱ জাতিক শক্তিশালী কৰাত একতাৰ ভূমিকাৰ বিষয়ে উপলব্ধি কৰাইছে। সেয়েহে

এখন শক্তিশালী সমাজ নিৰ্মাণৰ বাবে আমি তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত হ'ব লাগিব।

সমাজত গণতান্ত্ৰিক প্ৰমূল্যবোধ শক্তিশালীভাৱে প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জনসাধাৰণে সহায়ৰ হাত আগবঢ়াব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বঁটা প্ৰাপক বিশিষ্ট চিত্ৰশিল্পী কন্দৰ্প নাথ শৰ্মা আৰু নৃত্যশিল্পী ঝৰ্ণা শইকীয়াক ধন্যবাদ জ্ঞাপন কৰি ৰাজ্যখনৰ সামাজিক-সাংস্কৃতিক জীৱনধাৰাক অধিক শক্তিশালী কৰাৰ বাবে কাম কৰি যাবলৈ মুখ্যমন্ত্ৰীয়ে তেওঁলোকক আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে ৰাজ্যখনৰ সাংস্কৃতিক জীৱনলৈ এইগৰাকী শিল্পীয়ে অমূল্য বৰঙনি আগবঢ়াই গৈছে। বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ফণী শৰ্মাক ত্ৰিমূৰ্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে এই তিনিওগৰাকী শিল্পীয়ে সাংস্কৃতিক প্ৰমূল্যবোধেৰে অসমৰ জনসাধাৰণক জীৱনৰ মন্ত্ৰ প্ৰদান কৰি গৈছে। এই তিনি মনীষীয়ে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ পৰা সমল সংগ্ৰহ কৰি আমাৰ সাংস্কৃতিক জীৱনধাৰাক জীপাল কৰাই নহয়, বৰ্ণাঢ্য ৰূপত সজাই তুলিছিল। এই তিনিওগৰাকী মহান শিল্পীৰ লগতে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই সমাজৰ অপ-সংস্কৃতিসমূহ মষিমূৰ কৰি সমাজখনক শুদ্ধ পথৰ সন্ধান দিছে। এই সকলৰ সৃষ্টিশীল চেতনাই সমাজ জীৱনক নতুন ৰূপেৰে মহীয়ান কৰিছে। আনকি, ক'ভিড-১৯ এ সমাজ জীৱন দুৰ্বিসহ কৰাৰ সময়তো, এই শিল্পীসকলৰ সৃষ্টিৰাজিয়ে আমাক প্ৰেৰণা আৰু উৎসাহ যোগাইছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে এই শিল্পীসকলে আমাৰ সমাজত শান্তি আৰু সম্প্ৰীতিৰ বাতাৱৰণ শক্তিশালী কৰাৰ দিশত বিশিষ্ট বৰঙনি যোগাই গৈছে বুলিও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেই বিষ্ণু ৰাভাক আমাৰ সাংস্কৃতিক জীৱনৰ একতাৰ প্ৰতিভূ বুলি অভিহিত কৰে। বিষ্ণুৰাভাক এগৰাকী বহুমুখী প্ৰতিভাৰ আকৰ বুলি উল্লেখ কৰি আমাৰ সাংস্কৃতিক জীৱন টনকিয়াল কৰাৰ দিশত এইগৰাকী ব্যক্তিয়ে অসামান্য অৱদান আগবঢ়াই গৈছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

আজিৰ এই অনুষ্ঠানত বিষ্ণুৰাভা বঁটাপ্ৰাপক শিল্পীদুগৰাকীয়েও কলাগুৰু বিষ্ণুৰাভা দেৱৰ নামত অসম চৰকাৰে প্ৰদান কৰা বঁটা লাভ কৰি পোৱা আনন্দৰ অৱলোকনেৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণুকমল বৰাইও বিষ্ণুৰাভাৰ জীৱনৰ বিভিন্ন দিশ আলোকপাতেৰে বক্তব্য আগবঢ়ায়।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা ৰাভা দিৱসৰ এই কাৰ্যসূচীত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, নৰেন সোণোৱাল, কুশল দুৱৰী, তেৰচ গোৱালা, চক্ৰধৰ গগৈ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দীপু ৰঞ্জন মাক্ৰাৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / সুঃমিঃকঃ**
**২০/০৬/২০২০**

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪৪০/২০২০**

# ভিডিঅ’ সাংবাদিক ৰিপুল কলিতাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২০ জুন ঃ** ভিডিঅ’

**সুঃদঃ / পুঃডেঃ**
**২০/০৬/২০২০**